অসম বিধান সভা

তৰা বিহিন প্ৰশ্ন নং : **১৯**

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **পথ নিৰ্মাণ**

বিধায়ক : ড° জয় প্ৰকাশ দাস:

মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ৰঙানদীৰ দুয়োপাৰে সোঁফালে পোতাবিলৰ পৰা পকনীয়ালৈ আৰু বাওঁফালে খাৰকাটি দলঙৰ পৰ পকাদ'ল নগৰগাঁও হৈ চেঙামাৰীলৈ মথাউৰিৰ ওপৰত পথ নিৰ্মাণৰ পৰিকল্পনা আছে নেকি জনাব।

(খ) এই সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খাৰকাটি দলঙৰ পৰা চেঙামাৰীলৈ বান পৰিদৰ্শনৰ সময়ছোৱাত ৰাজ্যৰ সংবাদ গোষ্ঠীৰ সন্মুখত পকী পথ নিৰ্মাণৰ আশ্বাস অঞ্চলৰ ৰাইজক প্ৰদান কৰিছিল। এই সন্দৰ্ভত এই পথছোৱাৰ কাম-কাজ কিমানদূৰ আগবাঢ়িছে, বিশদভাৱে জনাব ।

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) উল্লেখিত পথৰ বাবে কোনো প্ৰকল্প এতিয়ালৈ অনুমোদিত হোৱা নাই ।

(খ) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আশ্বাসৰ ওপৰত ভিত্তি কৰি যোৱা বিত্তীয় বৰ্ষৰ শেষৰফালে মুঠ ৩.৫৩ কি:মি: দৈৰ্ঘ্যৰ উক্ত মথাউৰিটোৰ ওপৰত পথ পকীকৰণৰ উদ্দেশ্য হাতত ৰাখি প্ৰায় ৭ কোটি টকাৰ খচৰা প্ৰাক্কলন প্ৰস্তুত কৰি জলসম্পদ বিভাগৰ সৈতে কাৰিকৰী বিশেষ কৌশলগত অধ্যয়নৰ প্ৰচেষ্টা চলোৱা হৈছিল যদিও সময়ৰ নাটনিৰ বাবে উক্ত বিত্তীয় বৰ্ষত প্ৰাক্কলন প্ৰস্তুত কৰিব পৰা নহ'ল ।

চলিত বিত্তীয় বৰ্ষত মথাউৰি নিৰ্মাণৰ আঁচনিৰ অধীনত কাৰিকৰী বিশেষজ্ঞ কমিটি ও জলসম্পদ বিভাগৰ পৰামৰ্শ অনুযায়ী এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব ।

(The Reply uploaded in the Portal)

---ooo---